# গৌহাটী উচ্চ ন্যায়ালয়

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশ উচ্চ ন্যায়ালয়)

গোচৰ নং: লেখ আবেদন (দেৱানী)/৮৯৩/২০১১

যোগেন দাস

স্বৰ্গীয় খাতাৰাম দাসৰ পুত্ৰ, ৰুক্মিণিগাঁওৰ বাসিন্দা, বাহিনী পথ, ঘৰ নং-৩৮, ডাকঘৰ খানাপাৰা, থানা: দিছপুৰ, গুৱাহাটী, কামৰূপ জিলাৰ অন্তৰ্গত)

বনাম

অসম শক্তি বিতৰণ কোম্পানী লিমিটেড আৰু অন্যান্য

এ পি ডি চি এল, মূখ্য মহাপ্ৰবন্ধক (ডি) দ্বাৰা প্ৰতিনিধিত্ব কৰা, নিম্ন অসম জ'ন, বিজুলী ভবন, পল্টনবজাৰ, গুৱাহাটী-১

২: প্ৰবন্ধক, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, বিজুলী ভবন, পল্টনবজাৰ, গুৱাহাটী-১

৩:  মূখ্য মহাপ্ৰবন্ধক, বিতৰণ, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, বিজুলী ভবন, পল্টনবজাৰ, গুৱাহাটী-১

৪: জেষ্ঠ্য ব্যৱস্থাপক, ডিইডিজি, এ পি ডি চি এল, বিজুলী ভবন, পল্টনবজাৰ, গুৱাহাটী-১

৫: উপ-সংমণ্ডল অভিযন্তা, গোলকগঞ্জ বৈদ্যুতিক উপ-সংমণ্ডল, এ পি ডি চি এল, নিম্ন অসম জ'ন, গোলকগঞ্জ

৬: এ. কে. চৌধুৰী, অনুসন্ধান বিষয়া, প্ৰবন্ধক বিষয়াৰ মাধ্যমেৰে বিজ্ঞপ্তি, অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, বিজুলী ভবন, পল্টনবজাৰ, গুৱাহাটী-১

আবেদনকাৰীৰ অধিবক্তা- শ্ৰী পি পি দাস

উত্তৰদাতাৰ অধিবক্তা-

## মহামান্য ন্যায়াধীশ- অৰুণ দেৱ চৌধুৰী

আবেদনকাৰীৰ বাবে : শ্ৰী বি কে দাস, অধিবক্তা

উত্তৰদাতাসকলৰ বাবে : শ্ৰী বি চৌধুৰী, অধিবক্তা

শুনানিৰ তাৰিখ : ১৮.০৩.২০২৪

ৰায়দানৰ তাৰিখ : ১৯.০৬.২০২৪

# ৰায় আৰু আদেশ (চিএভি)

১) আবেদনকাৰীৰ বিজ্ঞ অধিবক্তা শ্ৰী বি কে দাসৰ যুক্তি শুনা হ'ল। লগতে বিজ্ঞ স্থায়ী পৰামৰ্শদাতা, এপিডিচিএল- বি চৌধুৰীৰ যুক্তি শুনা হ'ল।

২) বৰ্তমানৰ আবেদনখনত বিভাগীয় তদন্ত আৰু ১৮.০৬.২০১০ তাৰিখে জাৰি কৰা শাস্তিৰ আদেশৰ সিদ্ধান্ত বাতিল কৰিবলৈ " certiorari" নামৰ লেখ জাৰি কৰিবলৈ আদালতক অনুৰোধ জনোৱা হৈছে। শাস্তিৰ ভিতৰত আছিল ব্যক্তিজনৰ দৰমহা এটা স্তৰ স্থায়ীভাৱে হ্ৰাস কৰা আৰু ৯ টা কিস্তিত ৩৭,১৯৪ টকা আদায় কৰা। আবেদনকাৰীয়ে এই দিনকেইটাত ছুটীত আছিল বুলি দাবী কৰি ০১.০২.২০০৮ৰ পৰা ১৩.০২.২০০৮ আৰু ২৫.০২.২০০৮ৰ পৰা ২৯.০২.২০০৮লৈ দৰমহা প্ৰদানৰ নিৰ্দেশ দিবলৈও অনুৰোধ জনাইছে।

৩) গোচৰৰ চমু বিৱৰণ নিম্নোক্ত ভাবে উল্লেখ কৰা হ'ল-

(i) আবেদনকাৰীয়ে কনিষ্ঠ অভিযন্তা হিচাপে কাম কৰি থকাৰ সময়তে ০৫.০৯.২০০৮ তাৰিখৰ অভিযোগনামা দাখিল কৰি তেওঁৰ বিৰুদ্ধে অনুশাসনমূলক কাৰ্য্যবিধি আৰম্ভ কৰা হৈছিল।

(ii) আবেদনকাৰীৰ বিৰুদ্ধে তিনিটা অভিযোগ উত্থাপন কৰা হয়। প্ৰথমটো আছিল বাৰে বাৰে কৰ্তব্যৰ প্ৰতি অৱহেলা আৰু তিনিটা নিৰ্দিষ্ট সময়ছোৱাত অনুমতি অবিহনে অনুপস্থিত থকা: ১৫.০২.২০০৮ তাৰিখৰ পৰা ২৪.০২.২০০৮ তাৰিখলৈ, ০৫.০৩.২০০৮ তাৰিখৰ পৰা ৩১.০৩.২০০৮ তাৰিখলৈ আৰু ০৩.০৩.২০০৮ তাৰিখৰ পৰা ১১.০৫.২০০৮ তাৰিখলৈকে।

(iii) দ্বিতীয়টো অভিযোগ আছিল ব'ৰ্ডৰ ৰাজহ ৯১,১৫৮.৫৫/- টকাৰ অপব্যৱহাৰ।

(iv) তৃতীয়টো অভিযোগ আছিল যে আবেদনকাৰীয়ে এ এচ ই বি (অসম ৰাজ্যিক বিদ্যুৎ ব'ৰ্ড)ৰ বিষয়া আচৰণ নিয়ম, ১৯৮২ৰ নিয়ম ১০ উলংঘা কৰিছিল।

(v) আবেদনকাৰীয়ে প্ৰথম অভিযোগ নাকচ কৰি দাবী কৰে যে তেওঁ ১৪.০২.২০০৮ তাৰিখে ছুটীৰ আবেদন দাখিল কৰিছিল আৰু ২৬.০২.২০০৮ তাৰিখে আন এখন আবেদন দাখিল কৰিছিল। তেওঁ কৈছিল যে তেওঁৰ ক্ৰনিক চাইনাচাইটিছ হৈছিল আৰু সেই সময়ছোৱাত তেওঁৰ অস্ত্ৰোপচাৰ কৰা হৈছিল।

(vi) ব'ৰ্ডৰ ব্যৱসায়ৰ সৈতে জড়িত চুৰি , প্ৰৱঞ্চনা আৰু অসৎ কাম কৰাৰ দ্বিতীয়টো অভিযোগৰ সন্দৰ্ভত তেওঁ একেখিনি অভিযোগ অস্বীকাৰ কৰিছিল। ব 'ৰ্ডৰ ৰাজহৰ অপব্যৱহাৰৰ অভিযোগৰ সন্দৰ্ভত আবেদনকাৰীয়ে গ্ৰাহকৰ লেজাৰ আদি উপলব্ধ নোহোৱাৰ দৰে নিৰ্দিষ্ট ব্যাখ্যা দিছিল।

(vii) তদন্তৰ অন্তত তদন্তকাৰী বিষয়াই এই সিদ্ধান্তত উপনীত হয় যে যিহেতু আবেদনকাৰীয়ে নিজৰ অনুপস্থিতি স্বীকাৰ কৰিছিল আৰু অনুমতি অবিহনে বা ছুটীৰ অনুমোদনৰ বাবে অপেক্ষা নকৰাকৈয়ে মুখ্য কাৰ্যালয় এৰি যোৱাটো স্পষ্ট , সেয়েহে প্ৰথম অভিযোগটো প্ৰমাণিত বুলি গণ্য কৰা হৈছে।

(viii) তদন্তকাৰী বিষয়াই দ্বিতীয় অভিযোগ (২ক)ৰ এটা অংশ প্ৰমাণিত হোৱা নাই বুলি জানিব পাৰিলে। কিন্তু ৯১ ,১৩৮.৫৫ টকাৰ অপব্যৱহাৰ সন্দৰ্ভত (২খৰ অধীনত) বিষয়াজনৰ ব্যাখ্যা অস্পষ্ট আছিল আৰু নথিপত্ৰৰ প্ৰমাণৰ অভাৱ আছিল। আবেদনকাৰীয়ে লেজাৰত ২৮ হাজাৰ টকাৰ প্ৰৱেশৰ বিষয়েও বুজাব নোৱাৰিলে । গতিকে, নিৰ্দিষ্ট প্ৰৱেশৰ বাহিৰে এই অভিযোগ প্ৰমাণিত বুলি গণ্য কৰা হৈছিল (৫ আৰু ৭ নং)।

(ix) ২২.০৮.২০০৯ তাৰিখে ব্যাখ্যা বিচাৰি দ্বিতীয়খন জাননী জাৰি কৰা হয়। আবেদনকাৰীয়ে ১৪.১০.২০০৯ তাৰিখে উত্তৰ দি যুক্তি দিছিল যে অভিযোগৰ ভিত্তি গঠন কৰা গ্ৰাহক লেজাৰখন তদন্তকাৰী বিষয়াক দেখুওৱা হোৱা নাছিল, গতিকে তেওঁ ইয়াক ক্ৰছ-এক্সামিন কৰিব পৰা নাছিল। ৭৮ ,১৩৮.৫৫ টকাৰ নাটনি হোৱা বুলি বিষয়াগৰাকীয়ে কৰা তথ্যৰ সৈতেও আবেদনকাৰীৰ একমত নহয়।

(x) আবেদনকাৰীৰ ব্যাখ্যা বিবেচনা কৰাৰ পিছত কৰ্তৃপক্ষই পুনৰ হিচাপ কৰি ৭৮,১৫৮.৫৫ টকাৰ ভিতৰত ৪০ ,৯৪৫ টকা আদায়যোগ্য নহয় বুলি নিৰ্ণয় কৰে। ফলত ধন অপব্যৱহাৰৰ পৰিমাণ ৩৭,১৯৪ টকালৈ হ্ৰাস পায়।

(xi) ১৮.০৬.২০১০ তাৰিখে নিয়োগকৰ্তাই আবেদনকাৰীক জৰিমনা হিচাপে ৩৭ ,১৯৪ টকা ঘূৰাই দিবলৈ নিৰ্দেশ দিয়ে। এই কথাত অসন্তুষ্ট হৈ আবেদনকাৰীয়ে বিভাগীয় আবেদন দাখিল কৰে যদিও সেই আবেদন খাৰিজ কৰা হয়। এতিয়া তেওঁ দুয়োটা সিদ্ধান্তক প্ৰত্যাহ্বান জনাই এই লেখ আবেদন দাখিল কৰিছে।

৪) আবেদনকাৰীক প্ৰতিনিধিত্ব কৰা অধিবক্তা বি কে দাস ডাঙৰীয়াই উত্তৰদাতা কৰ্তৃপক্ষই গ্ৰহণ কৰা কাৰ্যক প্ৰত্যাহ্বান জনাই সেই কাৰ্যক সমালোচনা কৰি তলত দিয়া যুক্তি দাঙি ধৰিছে-

(i) আবেদনকাৰীয়ে ৩০.১০.২০০৮ তাৰিখৰ এখন পত্ৰত ৩ নং উত্তৰদাতাক গ্ৰাহকৰ লেজাৰ, অনুপুৰক নগদ ধনৰ বহী আৰু ধনৰ ৰচিদকে ধৰি শক্তি বিল সংগ্ৰহৰ সৈতে জড়িত নথিপত্ৰসমূহ পৰীক্ষা কৰাৰ অনুমতি বিচাৰিছিল।

(ii) ৪ নং উত্তৰদাতাই ০৮.১১.২০০৮ তাৰিখৰ এখন পত্ৰযোগে আবেদনকাৰীক ২৩.১০.২০০৮ তাৰিখে নথি-পত্ৰ পৰীক্ষা কৰিবলৈ আৰু ধুবুৰী বৈদ্যুতিক সংমণ্ডলৰ জ্যেষ্ঠ প্ৰবন্ধকৰ সৈতে যোগাযোগ কৰিবলৈ কয় যদিও কৰ্তৃপক্ষই তেওঁক গ্ৰাহক লেজাৰখন প্ৰদান কৰাত ব্যৰ্থ হয়।

(iii) গ্ৰাহক লেজাৰ ২ নং চাৰ্জৰ বাবে এক গুৰুত্বপূৰ্ণ নথি কাৰণে এই লেজাৰৰ ভিত্তিত পৰিদৰ্শন প্ৰতিবেদন (প্ৰদৰ্শক ৭) গোলোকগঞ্জ মহকুমাৰ মহকুমা অভিযন্তাই প্ৰস্তুত কৰিছিল।

(iv) ১৪.১০.২০০৯ তাৰিখে তেওঁৰ বিবৃতিত আবেদনকাৰীয়ে বুজাই দিছে যে উপস্থাপনকাৰী বিষয়াই গ্ৰাহক লেজাৰখন দাখিল কৰিবলৈ নিৰ্দেশ দিছিল যদিও তদন্তৰ সময়ত ইয়াক দেখুওৱা হোৱা নাছিল, আবেদনকাৰীক পৰীক্ষা কৰিবলৈ দিয়াটো দূৰৰ কথা।

(v) পৰিদৰ্শন প্ৰতিবেদনত প্ৰৱেশৰ বাবে গ্ৰাহক লেজাৰ হৈছে মূল নথি আৰু অনুসন্ধানৰ সময়ত ইয়াক দেখুৱাব লাগিছিল। যিহেতু উত্তৰদাতাসকলে আবেদনকাৰীক লেজাৰখন পৰীক্ষা কৰিবলৈ দিয়া নাছিল আৰু তদন্তত উপস্থাপন কৰা নাছিল , সেয়েহে আবেদনকাৰীয়ে মূল প্ৰৱেশ আৰু স্বাক্ষৰ পৰীক্ষা কৰিব পৰা নাছিল। ইয়াৰ ফলত তেওঁৰ অসুবিধা হ ’ল। গতিকে ২(খ) নং অভিযোগৰ সন্দৰ্ভত তদন্তকাৰী বিষয়াৰ সিদ্ধান্তক আইনৰ দ্বাৰা অবৈধ, স্বেচ্ছাচাৰী আৰু অস্থায়ী বুলি গণ্য কৰা হয়।

(vi) তদন্তৰ প্ৰতিবেদনৰ প্ৰতি আবেদনকাৰীৰ সঁহাৰি পোৱাৰ পিছত উত্তৰদাতা নং ১ (এ পি ডি চি এল , গুৱাহাটী-১ৰ মুখ্য মহাপ্ৰবন্ধকে) তদন্তকাৰী বিষয়াই অপব্যৱহাৰ বুলি ভবা ৭৮ ,১৩৮.৫৫ টকাৰ ভিতৰত ৪০ ,৯৪৫ টকা আদায় কৰিব নোৱাৰা বুলি ধৰা পেলালে। ফলত ১ নং উত্তৰদাতাই অপব্যৱহাৰৰ ধন ৩৭ ,১৯৪ টকালৈ হ্ৰাস কৰিলে যদিও সেই ধনৰ অপব্যৱহাৰৰ বাবে আবেদনকাৰীক দোষাৰোপ কৰে। তদন্তকাৰী বিষয়াই এই অপব্যৱহাৰ কৰা ধনৰাশি ৭৮ ,১৩৮.৫৫ টকা বুলি নিৰ্ণয় কৰিছিল যদিও অনুশাসন কৰ্তৃপক্ষই আদায়যোগ্য বুলি মাত্ৰ ৪০ ,৯৪৫ টকাহে বিচাৰি উলিয়াইছিল।

সেয়েহে আবেদনকাৰীয়ে দাবী কৰে যে তদন্তকাৰী বিষয়াৰ সিদ্ধান্ত অবৈধ , স্বেচ্ছাচাৰী আৰু অন্যায়গত।

(vii) অধিবক্তা দাস ডাঙৰীয়াই নিজৰ যুক্তিৰ সমৰ্থনত ভাৰতৰ উচ্চতম ন্যায়ালয়ে লোৱা কিছুমান সিদ্ধান্তৰ উদ্ধৃতি দিছে-

শ্ৰী দাস ডাঙৰীয়াই উল্লেখ কৰা প্ৰথমটো গোচৰ হ 'ল এম.ভি. বিজলানী বনাম ভাৰত চৰকাৰ আৰু অন্যান্য যিটো ২০০৬ চনৰ উচ্চতম ন্যায়ালয়ৰ গোচৰসমূহৰ (এছচিচি) প্ৰতিবেদন, ৫ নং খণ্ড, পৃষ্ঠা ৮৮ত নথিভুক্ত কৰা হৈছে। দাস ডাঙৰীয়াই উল্লেখ কৰা দ্বিতীয়টো গোচৰ হ 'ল থানেশ্বৰ কলিতা বনাম অসম চৰকাৰ আৰু অন্যান্য, যিটো ২০০৩ চনৰ গৌহাটী ল টাইমছ (GLT), খণ্ড ২, পৃষ্ঠা ১৫৭ত উপলব্ধ। উল্লেখ কৰা তৃতীয়টো গোচৰ হৈছে কৃষ্ণকান্ত বি পৰমাৰ বনাম ভাৰত চৰকাৰ আৰু আন এজন যিটো ২০১২ চনৰ উচ্চতম ন্যায়ালয়ৰ গোচৰ , খণ্ড ৩, পৃষ্ঠা ১৭৮ত ৰিপৰ্ট কৰা হৈছে। দাস ডাঙৰীয়াই উল্লেখ কৰা আন এক গোচৰ হৈছে ফুলা গগৈ চুতীয়া বনাম অসম চৰকাৰ আৰু অন্যান্য যিটো ২০১৬ চনৰ গৌহাটী ল টাইমছ), খণ্ড ১, পৃষ্ঠা ৭০৪ত নথিভুক্ত।

৫) আনহাতে উত্তৰদাতা (এপিডিচিএল)ৰ অধিবক্তা বি চৌধুৰী ডাঙৰীয়াই তলত দিয়া যুক্তিসমূহ দাঙি ধৰিছে।–

(i) চৌধুৰী ডাঙৰীয়াই যুক্তি আগবঢ়ায় যে আবেদনকাৰীয়ে সৎ ভাবেৰে সকলো কথা আদালতৰ আগত প্ৰকাশ কৰা নাছিল । তেওঁ কয় যে ৩৬ হাজাৰ টকা আদায় আৰু দৰমহা হ্ৰাস কৰা জৰিমনা আবেদন দাখিল কৰাৰ পূৰ্বে ইতিমধ্যে আৰোপ কৰা হৈছিল যদিও এই তথ্য আবেদনখনত উল্লেখ কৰা হোৱা নাছিল। তেওঁ উচ্চতম ন্যায়ালয়ৰ এটা

গোচৰ, কে ডি শৰ্মা বনাম চেইল (২০০৮) ১২ এচ চি চি ৪৮১-ৰ তেওঁৰ যুক্তিৰ সমৰ্থনত উল্লেখ কৰিছে।

(ii) তেওঁৰ মতে আবেদনকাৰীয়ে এনে এটা সময়ৰ (ডিচেম্বৰ ২০০৫ৰ পৰা ফেব্ৰুৱাৰী ২০০৬) নথি-পত্ৰ (গ্ৰাহক লেজাৰ) বিচাৰিছিল যিটো অপ্ৰাসংগিক আছিল কাৰণ অপব্যৱহাৰৰ অভিযোগ ২০07-২০০৮ চনৰ সৈতে জড়িত আছিল। গতিকে সেই নথি-পত্ৰসমূহ প্ৰদান নকৰাটোৱে নৈসৰ্গিক ন্যায় উলংঘা নকৰে। উচ্চতম ন্যায়ালয়ৰ গোচৰ অৰ্থাৎ উত্তৰ প্ৰদেশ বনাম ৰমেশ চন্দ্ৰ মংগালিক (২০০২) ৩ এছচিচি ৪৪৩-ৰ উদ্ধৃতি দি তেওঁ নিজৰ যুক্তি সমৰ্থন কৰিছে।

(iii) চৌধুৰী ডাঙৰীয়াই যুক্তি আগবঢ়ায় যে অনুশাসনমূলক কাৰ্য্যবিধি পৰ্যালোচনাৰ ক্ষেত্ৰত আদালতৰ ভূমিকা নৈসৰ্গিক ন্যায়ৰ উলংঘাৰ ফলত হোৱা আইনী বা পদ্ধতিগত ভুল শুধৰোৱাত সীমাবদ্ধ। আপীল কৰ্তৃপক্ষৰ দৰে কাম কৰাটো আদালতৰ কাম নহয় ।তেওঁৰ দাবী যে আবেদনকাৰীয়ে আদালতক আপীল কৰ্তৃপক্ষৰ দৰে কাম কৰিবলৈ কৈছে। এই যুক্তিৰ সমৰ্থনত তেওঁ উচ্চতম ন্যায়ালয়ৰ কেইবাটাও গোচৰৰ উদাহৰণ দাঙি ধৰে: এছ বি আই বনাম অজয় কুমাৰ শ্ৰীবাস্তৱ (২০২১) ২ এছ চি চি ৬১২ , ভাৰত চৰকাৰ বনাম পি গুনছেখৰণ (২০১৫)২ এছ চি চি ৬১০ আৰু ষ্টেট বেংক অৱ ইণ্ডিয়া বনাম এ জি বি ৰেড্ডী (২০২৩) এছ চি চি অনলাইন এছ চি ১০৬৪।

(iv) চৌধুৰী ডাঙৰীয়াই যুক্তি আগবঢ়ায় যে মাত্ৰ এটা অভিযোগ প্ৰমাণিত হ 'লেও আৰোপ কৰা শাস্তি বৈধ আৰু ইয়াক বাতিল কৰা উচিত নহয়। এইদৰে উত্তৰদাতা কৰ্তৃপক্ষৰ শাস্তি আৰোপ কৰাৰ আইনী অধিকাৰ আছিল । এই কথাটো সমৰ্থন কৰিবলৈ তেওঁ

উচ্চতম ন্যায়ালয়ৰ ষ্টেট অৱ ইউ পি বনাম নন্দ কিশোৰ শুক্লা (১৯৯৬) ৩ এছচিচি ৭৫০ গোচৰৰ উদ্ধৃতি দিছে।

৬) উভয় পক্ষক প্ৰতিনিধিত্ব কৰা অধিবক্তাসকলে দাখিল কৰা যুক্তিসমূহ মই সযতনে বিবেচনা কৰিছো আৰু গোচৰৰ সমলত থকা প্ৰমাণ আৰু নথি-পত্ৰসমূহ পুনৰীক্ষণ কৰিছো।

৭) এতিয়া এইয়া আইনগতভাবে সুপ্ৰতিষ্ঠিত যে যেতিয়া কোনো সাংবিধানিক আদালতে ভাৰতীয় সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অধীনত কোনো গোচৰ পুনৰীক্ষণ কৰে, তেতিয়া সাধাৰণতে বিভাগীয় কাৰ্য্যবিধিত পোৱা বাস্তৱিক তথ্যত হস্তক্ষেপ নকৰে, যদিহে mala fide প্ৰমাণ নাথাকে। সিদ্ধান্তটো অযুক্তিকৰ (বিকৃত) হ'লেও আদালতে হস্তক্ষেপ কৰিব পাৰে, অৰ্থাৎ হয় সিদ্ধান্তটো সমৰ্থন কৰিব পৰা কোনো প্ৰমাণ নাই, নহয় সিদ্ধান্তটো ইমানেই অযুক্তিকৰ যে কোনো যুক্তিবাদী ব্যক্তিয়ে তথ্যৰ ভিত্তিত সেই সিদ্ধান্তত উপনীত নহ'ব। যেতিয়ালৈকে বিভাগীয় কৰ্তৃপক্ষই লোৱা সিদ্ধান্তৰ সমৰ্থনত কিছু প্ৰমাণ থাকিব, তেতিয়ালৈকে আদালতে সেই সিদ্ধান্ত ৰক্ষা কৰিব লাগিব।

৮) বিভাগীয় কাৰ্য্যবিধি চলোৱাৰ বাবে প্ৰয়োজনীয় পদ্ধতি উলংঘা কৰাৰ ফলত নৈসৰ্গিক ন্যায়ৰ নীতি উলংঘা হ'লে কোনো গোচৰ পুনৰীক্ষণ কৰাৰ কৰ্তৃত্ব সাংবিধানিক আদালতৰ আছে। ন্যায়িক পৰ্যালোচনাৰ উদ্দেশ্য মানুহৰ লগত ন্যায্য ব্যৱহাৰ কৰাটো নিশ্চিত কৰা হ'লেও এই ক্ষেত্ৰত আদালতৰ ক্ষমতা কৰ্তৃপক্ষৰ সিদ্ধান্ত সঠিক নে ভুল সেই বিষয়ে পুনৰ মূল্যায়ন বা সিদ্ধান্ত লোৱালৈকে বিস্তৃত নহয়। ফলাফলৰ ওপৰত নহয়, প্ৰক্ৰিয়াটোৰ ন্যায্যতাকহে গুৰুত্ব দিয়া হয়।

৯) অনুশাসনমূলক কৰ্তৃপক্ষই লোৱা সিদ্ধান্তৰ ন্যায়িক পৰ্যালোচনা উল্লেখযোগ্য অন্যায়ৰ বা নৈসৰ্গিক ন্যায় উলংঘা কৰা আইনী বা পদ্ধতিগত ভুল শুধৰোৱাত সীমাবদ্ধ । ইয়াৰ লগত আপীল কৰ্তৃপক্ষই কৰা ধৰণে গোচৰৰ গুৰুত্ব পুনৰীক্ষণ কৰাটো জড়িত নহয় , কাৰণ অনুশাসনমূলক কৰ্তৃপক্ষই একমাত্ৰ সংস্থা যিয়ে গোচৰৰ তথ্য বিচাৰ কৰে। ন্যায়িক পৰ্যালোচনাত সাংবিধানিক আদালতৰ ভূমিকা হ 'ল সিদ্ধান্তটো নিজেই শুদ্ধ আছিল নে নাই সেইটো মূল্যায়ন নকৰি সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াটো ন্যায্য আৰু সঠিক পদ্ধতি অনুসৰণ কৰা হৈছিল নে নাই সেইটো মূল্যায়ন কৰা। চূড়ান্ত সিদ্ধান্ত ন্যায্য নে শুদ্ধ আছিল সেইটো বিচাৰ নকৰি , প্ৰক্ৰিয়াটো ন্যায্য হোৱাটো নিশ্চিত কৰাত ন্যায়িক পৰ্যালোচনাৰ গুৰুত্ব দিয়া হয়।

১০) বিভাগীয় কাৰ্য্যবিধিত আদালতত ব্যৱহাৰ কৰা প্ৰমাণৰ আনুষ্ঠানিক আৰু কঠোৰ নিয়ম মানি চলাৰ প্ৰয়োজন নাই। প্ৰক্ৰিয়াটো অধিক নমনীয়। কৰ্মচাৰীজনৰ (অপৰাধীজনৰ) বিৰুদ্ধে উত্থাপিত অভিযোগসমূহ এনে প্ৰমাণেৰে সমৰ্থন কৰিব লাগিব যিবোৰ এজন যুক্তিবাদী আৰু বস্তুনিষ্ঠ ব্যক্তিয়ে অভিযোগৰ গুৰুত্ব নিশ্চিত কৰিবলৈ যথেষ্ট পতিয়ন যোগ্য বুলি বিবেচনা কৰিব পাৰিব|

১১) কম আনুষ্ঠানিক বিভাগীয় তদন্ততো কাৰোবাক দোষী সাব্যস্ত কৰিবলৈ অনুমান (সঠিক প্ৰমাণ অবিহনে) যথেষ্ট নহয়।

১২) বৰ্তমানৰ গোচৰটোত তদন্তকাৰী বিষয়াই অকৰ্তৃত্বশীল অনুপস্থিতিৰ অভিযোগ সত্য বুলি বিবেচনা কৰে কাৰণ আবেদনকাৰী (কৰ্মচাৰী)জনে তেওঁৰ ছুটীৰ আনুষ্ঠানিক অনুমোদনৰ বাবে অপেক্ষা নকৰাকৈ অনুপস্থিত আছিল। উত্তৰদাতাই আবেদনকাৰীয়ে ছুটীৰ আবেদন দাখিল কৰা বুলি অস্বীকাৰ কৰা নাছিল আৰু তদন্তকাৰী বিষয়াইও এনে কোনো ছুটীৰ আবেদন নাই বুলি দাবী কৰা নাছিল|

১৩) উচ্চতম ন্যায়ালয়ে কৃষ্ণকান্ত বি পাৰমাৰ (উপৰোক্ত) গোচৰত স্পষ্টভাৱে উল্লেখ কৰিছিল যে অকৰ্তৃত্বশীল অনুপস্থিতি কৰ্তব্য পালনত ব্যৰ্থতা নে অনুচিত আচৰণ সেইটো নিৰ্ণয় কৰিবলৈ প্ৰথমে অনুপস্থিতি ইচ্ছাকৃতভাৱে হৈছিল নে অনিবাৰ্য পৰিস্থিতিৰ বাবে হৈছিল সেইটো নিৰ্ণয় কৰিব লাগিব। বৰ্তমানৰ গোচৰটোত আবেদনকাৰীৰ (কৰ্মচাৰীৰ) প্ৰতিৰক্ষা বা অনুপস্থিতিৰ ব্যাখ্যাৰ সন্দৰ্ভত কোনো আলোচনা বা সিদ্ধান্ত লোৱা হোৱা নাই আৰু অনুপস্থিতি ইচ্ছাকৃতভাৱে হৈছিল নে নাই সেই সম্পৰ্কে কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

১৪) ছুটীৰ আবেদন দাখিল নকৰাকৈ বা আগতীয়াকৈ অনুমতি নোলোৱাকৈ কৰ্মস্থলীত অনুপস্থিত থকাটো অকৰ্তৃত্বশীল অনুপস্থিতি বুলি গণ্য কৰা কাৰ্য্য সাধাৰণভাৱে গ্ৰহণ কৰা নীতি। কিন্তু এই অনুপস্থিতি সদায় ইচ্ছাকৃত নহয় , বিশেষকৈ যদি ইয়াৰ অনিবাৰ্য বা বাধ্যতামূলক কাৰণ থাকে। এনে ক্ষেত্ৰত অনুপস্থিতিক ইচ্ছাকৃত বুলি গণ্য কৰা উচিত নহয়। বিভাগীয় তদন্তত অকৰ্তৃত্বশীল অনুপস্থিতি ইচ্ছাকৃতভাৱে হৈছিল নেকি বা কৰ্মচাৰীজনৰ ব্যাখ্যা যুক্তিসংগত নেকি সেইটো নিৰ্ণয় কৰাটো প্ৰয়োজনীয়। অনুপস্থিতি অকৰ্তৃত্বশীল হ ’লেও ইচ্ছাকৃতভাৱে কৰা হৈছিল নে বৈধ কাৰণত হৈছিল সেইটো বিবেচনা কৰা উচিত। এই নিৰ্দিষ্ট গোচৰটোত তদন্তকাৰী বিষয়াই অনুপস্থিতি ইচ্ছাকৃতভাৱে হৈছিল নে বাধ্যতামূলক পৰিস্থিতিৰ বাবে হৈছিল সেই সম্পৰ্কে কোনো নিৰ্ণয় লোৱা নাছিল।

১৫) ব’ৰ্ডৰ ব্যৱসায়ৰ সৈতে জড়িত প্ৰৱঞ্চনা আৰু অসৎতাৰ বিষয়ে উত্থাপিত অভিযোগ ২(ক)ৰ সন্দৰ্ভত তদন্ত বিষয়াই নিৰ্ধাৰণ কৰে যে পৰিচালনা সমিতিয়ে দাখিল কৰা প্ৰমাণ শুনা কথাৰ ওপৰত ভিত্তি কৰি কৰা হৈছে। যিহেতু শুনা কথাক শক্তিশালী প্ৰমাণ

বুলি গণ্য কৰা নহয়, গতিকে তদন্ত বিষয়াই এই সিদ্ধান্তত উপনীত হয় যে অভিযোগ প্ৰমাণিত হোৱা নাই।

১৬) অভিযোগ ২(খ)ত কৰ্মচাৰীজনে ৯১ ,১৩৮.৫৫ টকা অপব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰা হৈছে। অপব্যৱহাৰৰ অভিযোগক সমৰ্থন কৰিবলৈ পৰিচালনা সমিতিয়ে পৰিদৰ্শনৰ প্ৰতিবেদন প্ৰমাণ হিচাপে ব্যৱহাৰ কৰিছিল। পৰিদৰ্শন প্ৰতিবেদনত নিৰ্দিষ্ট প্ৰৱেশ আছিল যিয়ে জড়িত আৰ্থিক ধনৰ সবিশেষ দেখুৱাইছিল। তদন্ত বিষয়াই নিৰ্ণয় কৰিলে যে অভিযুক্ত কৰ্মচাৰীজনে পৰিদৰ্শন প্ৰতিবেদনত ৫ আৰু ৭ নম্বৰৰ প্ৰৱেশ অন্তৰ্ভুক্ত কৰা নাছিল। এই প্ৰৱেশ (৫ আৰু ৭) মুঠ ১৩ ,০০০ টকাৰ সৈতে জড়িত। তদন্তকাৰী বিষয়াই লক্ষ্য কৰিলে যে অভিযুক্ত বিষয়াই দিয়া ব্যাখ্যা কোনো চৰকাৰী নথি-পত্ৰৰ দ্বাৰা সমৰ্থিত হোৱা নাই। ফলত তদন্তকাৰী বিষয়াই নিৰ্ণয় কৰিলে যে ৭৮,১৫৮.৫৫ টকা এতিয়াও হিচাপ ওলোৱা নাই আৰু সেইয়া আদায় কৰিব পৰা যাব।

১৭) পৰিচালনা পক্ষৰ সাক্ষীৰ বক্তব্যকে ধৰি কোনো প্ৰমাণ গোচৰৰ সমলত উপলব্ধ নাছিল, যিয়ে দেখুৱাব পাৰে যে আবেদনকাৰীজনেই অভিযোগ কৰা মতে বিকৃত প্ৰৱেশ অন্তৰভুক্তিৰ বাবে দায়ী। সেই বিকৃত প্ৰৱেশ অন্তৰ্ভুক্ত কৰা লেজাৰখন পৰিচালনা পক্ষি প্ৰদান কৰা প্ৰমাণৰ অংশ হিচাপে অন্তৰ্ভুক্ত কৰা হোৱা নাছিল। গতিকে এই প্ৰৱেশসমূহ চাৰ্জ মেম'ত উল্লেখ কৰা হৈছিল যদিও লেজাৰত প্ৰকৃততে কোনে প্ৰৱেশ কৰিছিল সেই সম্পৰ্কে কোনো প্ৰমাণ তদন্ত বিষয়াৰ হাতত নাছিল। প্ৰশ্ন কৰা সময়ত আবেদনকাৰীয়ে লেজাৰৰ দায়িত্বত আছিল বা প্ৰৱেশৰ বাবে দায়বদ্ধ আছিল বুলি কোনো প্ৰমাণ পোৱা নাই।

১৮) তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত নিয়োগকৰ্তাই দেখিলে যে প্ৰথমে অভিযোগ কৰা অপব্যৱহাৰ কৰা ধনৰ পৰা ৪০,৯৪৫ টকা বিয়োগ কৰিব লাগিব। অভিযোগৰ বিবৃতিত

১৩,০০০ টকাৰ অপব্যৱহাৰ কৰা দেখা গৈছে , যিটো হৈছে ৯১ ,১৩৮.৫৫ টকা (মূল পৰিমাণ) আৰু ৭৮ ,১৩৮.৫৫ টকা (তদন্তৰ সময়ত পোৱা ধনৰাশিৰ)ৰ পাৰ্থক্য। তদন্তকাৰী বিষয়াই অপব্যৱহাৰ কৰা ধনৰাশি ৭৮ ,১৩৮ টকা বুলি নিৰ্ণয় কৰিলে , কিন্তু অৱশেষত নিয়োগকৰ্তাই ইয়াক আৰু হ্ৰাস কৰি ৩৭,১৯৪ টকা কৰিলে।

১৯) সামগ্ৰিকভাৱে আবেদনকাৰীৰ বিৰুদ্ধে অভিযোগ কেৱল পৰিদৰ্শন প্ৰতিবেদনৰ ভিত্তিত প্ৰমাণিত বুলি বিবেচিত হৈছিল। তদন্তকাৰী বিষয়াই কৰ্মচাৰীজনৰ ওপৰত তেওঁৰ নিৰ্দোষতা প্ৰমাণ কৰাৰ দায়িত্ব অৰ্পণ কৰি কয় যে কৰ্মচাৰীজনে তেওঁলোকৰ প্ৰতিৰক্ষাৰ সমৰ্থনত কোনো নথি-পত্ৰ প্ৰদান কৰা নাছিল। ইতিমধ্যে স্বীকাৰ কৰা হৈছিল যে অভিযোগ কৰা অনুসৰি বিকৃতকৰণ কৰা হোৱা বুলি কোৱা লেজাৰখন পৰিচালনাৰ প্ৰমাণত অন্তৰ্ভুক্ত কৰা হোৱা নাছিল। কোনো সাক্ষীয়ে সাক্ষ্য দিয়া নাছিল যে আবেদনকাৰীজন লেজাৰৰ বাবে দায়বদ্ধ বা তেওঁ ইয়াক বিকৃত কৰিছে। পৰিদৰ্শন প্ৰতিবেদন প্ৰস্তুত কৰা ব্যক্তিজনক (যিটো আবেদনকাৰীক অপব্যৱহাৰৰ অভিযোগ উত্থাপন কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল) সাক্ষ্য দিবলৈ বা সোধা-পোছা কৰিবলৈ মাতিব পৰা হোৱা নাছিল। তথ্যৰ ভিত্তিত আদালতে নিশ্চিত যে পৰিদৰ্শন প্ৰতিবেদন ব্যৱহাৰ কৰি আবেদনকাৰীৰ বিৰুদ্ধে অভিযোগ ভুলকৈ প্ৰমাণিত হৈছিল আৰু এজন যুক্তিবাদী আৰু বস্তুনিষ্ঠ ব্যক্তিয়ে একে সিদ্ধান্তত উপনীত নহ 'লহেঁতেন। এই সিদ্ধান্ত বিশেষকৈ ত্ৰুটিপূৰ্ণ আছিল কাৰণ পৰিদৰ্শন প্ৰতিবেদন যিজন ব্যক্তিয়ে প্ৰস্তুত কৰিছিল তেওঁক প্ৰশ্ন কৰা হোৱা নাছিল আৰু প্ৰতিবেদন তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা লেজাৰখন প্ৰমাণ হিচাপে দাখিল কৰা হোৱা নাছিল। ইয়াৰ উপৰিও আবেদনকাৰীয়ে (কৰ্মচাৰীয়ে) লেজাৰখন বিকৃত কৰা বুলি কোনো গুৰুত্বপূৰ্ণ প্ৰমাণ পোৱা নগ 'ল। গতিকে সিদ্ধান্তটো অযুক্তিকৰ আছিল প্ৰমাণৰ পৰিৱৰ্তে অনুমানৰ ওপৰত ভিত্তি কৰি লোৱা হৈছিল।

২০) অভিযোগ নং ৩ অসৎ আচৰণৰ বিষয়ে। অসৎ আচৰণৰ অভিযোগ (অভিযোগ নং ৩) প্ৰমাণিত বুলি গণ্য কৰা হৈছিল কাৰণ ১ আৰু ২ নং অভিযোগ প্ৰমাণিত বুলি গণ্য কৰা হৈছিল। যিহেতু ১ আৰু ২ নং অভিযোগৰ সন্দৰ্ভত পূৰ্বৰ সিদ্ধান্তক লৈ এতিয়া প্ৰশ্ন উত্থাপন হৈছে, সেয়েহে ৩ নং অভিযোগ (অসৎ আচৰণ)ৰ সিদ্ধান্তকো প্ৰত্যাহ্বান জনাব পাৰি।

২১) ৩ নং অভিযোগৰ আন এটা বিষয় হ'ল অভিযোগৰ বিবৃতিত অভিযোগটো ফ্ৰেমৱৰ্ক কৰাৰ কাৰণৰ  সবিশেষ বা অভিযোগসমূহ স্পষ্টভাৱে উল্লেখ কৰা হোৱা নাই। সুৰথ চন্দ্ৰ চক্ৰৱৰ্তী বনাম পশ্চিম বংগ চৰকাৰ (১৯৭১) এছ চি ৭৫২ গোচৰত, উচ্চতম ন্যায়ালয়ে ৰায় দিয়ে যে অস্পষ্ট অভিযোগৰ ভিত্তিত তদন্ত কৰিবলৈ অনুমতি দিয়া নহয়। অস্পষ্ট অভিযোগে অভিযুক্তক অভিযোগৰ বিষয়ে স্পষ্টকৈ বুজাই নিদিয়ে যাৰ ফলত তেওঁলোকৰ বাবে ফলপ্ৰসূ প্ৰতিৰক্ষা প্ৰস্তুত কৰাটো কঠিন হৈ পৰে কাৰণ তেওঁলোকে হয়তো সম্পূৰ্ণৰূপে বুজি নাপাব যে তেওঁলোকৰ বিৰুদ্ধে কি অভিযোগ কৰা হৈছে বা কেনেকৈ উত্তৰ দিব লাগে। আদালতে আৰু উল্লেখ কৰে যে অভিযোগৰ নিৰ্দিষ্ট কাৰণসমূহ অভিযুক্তক স্পষ্টভাৱে জনোৱাৰ লগতে অভিযোগ আৰু তদন্তৰ সময়ত বিবেচনা কৰা হ 'বলগীয়া আন যিকোনো প্ৰাসংগিক পৰিস্থিতিৰ ৰূপৰেখা দাঙি ধৰা বিবৃতিও দিব লাগিব। উচ্চতম ন্যায়ালয়ে জোৰ দি কয় যে এই নিয়ম এই নীতিৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে যে অভিযুক্তই তেওঁলোকৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ ভিত্তি গঠন কৰা সঠিক অভিযোগসমূহ জানিবলৈ অধিকাৰ আছে।

২২) সৱাই সিং বনাম ৰাজস্থান চৰকাৰ (১৯৮৬) গোচৰত উচ্চতম ন্যায়ালয়ে ৰায় দিছিল যে বিভাগীয় তদন্ততও অভিযোগো স্পষ্ট , নিৰ্দিষ্ট আৰু নিৰ্দিষ্ট হ 'ব লাগিব। অস্পষ্ট অভিযোগে অভিযুক্তৰ বাবে পৰ্যাপ্ত সঁহাৰি দিয়াটো প্ৰত্যাহ্বানজনক হৈ পৰে। আদালতে এইটোও কয় যে প্ৰমাণ কেৱল আনুষ্ঠানিকতা নহয় , বস্তুনিষ্ঠ হ'ব লাগিব।

অভিযুক্তই যদি নিজৰ পক্ষ ৰক্ষা নকৰে বা অস্পষ্ট অভিযোগৰ বিৰুদ্ধে প্ৰতিবাদ নকৰে, তথাপিও তদন্ত বাতিল কৰিব পাৰি যদিহে ইয়াত ন্যায়পৰায়ণতাৰ অভাৱ হয় , বিশেষকৈ যেতিয়া ইয়াৰ ফলত বিৰূপ বা শাস্তিমূলক ফলাফল হয়। বৰ্তমানৰ গোচৰটোত Charge Memo আৰু অভিযোগনামাৰ বিবৃতিত অভিযুক্তই বিশেষভাৱে নিয়ম নং ১০ কেনেকৈ উলংঘা কৰিছিল সেই কথা উল্লেখ কৰা হোৱা নাই। ফলত অভিযোগত ১০ নং নিয়ম উলংঘাৰ কথা স্পষ্টকৈ উল্লেখ নকৰাৰ বাবে ৩ নং অভিযোগো খাৰিজ কৰিব লাগে।

২৩) পূৰ্বৰ তথ্য আৰু সিদ্ধান্তৰ ভিত্তিত আদালতে বিশ্বাস কৰে যে ২০১০ চনৰ ১৮ জুন তাৰিখৰ আদেশ আইনগতভাৱে অবৈধ। সেয়ে সেই নিৰ্দেশ বাতিল কৰাৰ সিদ্ধান্ত লৈছে আদালতে।আদালতে নিৰ্দেশ দিয়ে যে অবৈধ সিদ্ধান্তৰ ভিত্তিত আবেদনকাৰী (কৰ্মচাৰী)ৰ পৰা আদায় কৰা যিকোনো ধন তেওঁক ঘূৰাই দিব লাগিব। এই আদালতৰ আদেশৰ প্ৰত্যায়িত প্ৰতিলিপি লাভ কৰাৰ পৰা চাৰি সপ্তাহৰ ভিতৰত আদায় কৰা ধন ঘূৰাই দিয়াৰ কাম সম্পূৰ্ণ কৰিব লাগিব|

২৪) আবেদনকাৰীৰ দৰমহা মুকলি কৰিবলৈ আদেশৰ বাবে কৰা অনুৰোধ নাকচ কৰা হৈছে। সেইয়া এই সিদ্ধান্তৰ ভিত্তি হৈছে যে সংশ্লিষ্ট সময়ছোৱাত আবেদনকাৰী অনুপস্থিত আছিল আৰু তেওঁৰ ছুটীৰ আবেদন অনুমোদিত হোৱা নাছিল। অনুপস্থিতিৰ বাবে বিভাগীয় ব্যৱস্থা উপযুক্ত আৰু ন্যায্য আছিল নে নাই সেইটো মূল্যায়ন কৰাত অনুপস্থিতি ইচ্ছাকৃতভাৱে হৈছিল নে নাই সেইটো নিৰ্ণয় কৰা হ ’ব যদিও সেই সময়ছোৱাৰ বাবে দৰমহা দিব লাগে নে নাই সেইটো নিৰ্ণয় কৰাৰ বাবে এই নিৰ্ণয়ৰ প্ৰয়োজন নহয়। যিহেতু আবেদনকাৰীয়ে প্ৰশ্ন কৰা সময়ছোৱাত কাম কৰা নাছিল আৰু তেওঁৰ ছুটী অনুমোদিত হোৱা নাছিল , গতিকে সেই সময়ৰ বাবে তেওঁলোকে দৰমহা লাভ কৰাৰ অধিকাৰী নহয়।

২৫) সেই অনুসৰি লেখ আবেদনখন নিষ্পত্তি কৰা হ'ল। পক্ষসমূহে নিজৰ খৰচ নিজে বহন কৰিব।

ন্যায়াধীশ

মোকাবিলা সহায়ক

অনুবাদ- শ্ৰী মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়